**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-03-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

অসম দ্ৰুত গতিত বিকাশৰ দিশে অগ্ৰসৰ হৈছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি প্ৰকাশ কৰে। শ্ৰীশ্বাহে কালি দেৰগাঁৱত নতুন ৰূপত সজাই তোলা অত্যাধুনিক লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰি এইদৰে কয়। অনুষ্ঠানত তেওঁ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। এই উপলক্ষে আয়োজিত জনসভাত তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰচেষ্টাৰ বাবে ৰাজ্যখনৰ প্ৰায় আটাইবোৰ উগ্ৰপন্থী গোট শান্তি আলোচনাৰ বাবে আগবাঢ়ি আহিছে আৰু কেইবাটাও গোটে অস্ত্ৰ সম্বৰণো কৰিছে। ৰাজ্যখনত শান্তি বিৰাজ কৰিছে আৰু ইয়াৰ ফলস্বৰূপে ব্যৱসায় খণ্ডৰ উন্নয়ন ঘটিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্যৱসায়ী খণ্ডৰ উন্নয়নৰ ফলত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে। তেওঁ লগতে কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ বিভিন্ন প্ৰকল্পৰ বাবে তিনি লাখ কোটি টকা যোগান ধৰিব আৰু ইয়াৰ ফলত আন্তঃগাঁথনি খণ্ড শক্তিশালী হৈ উঠিব।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে আজিৰ দিনটো ৰাজ্যখনৰ আৰক্ষীৰ বাবে এটা সোণালী দিন আৰু বীৰ লাচিত বৰফুকনলৈ এয়া প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ৰাজ্য চৰকাৰে ডেৰগাঁও পুলিচ একাডেমী চৌহদত আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপনৰো পৰিকল্পনা কৰিছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয়, যে পূৰ্বৰ দশকসমূহৰ তুলনাত ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হৈছে আৰু অপৰাধৰ হাৰ ৫০ শতাংশৰো অধিক হ্ৰাস পাইছে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত অংশ লৈ কয়, যে এই অত্যাধুনিক আৰক্ষী একাডেমীৰ জৰিয়তে দেশৰ শ্ৰেষ্ঠ আৰক্ষী কৰ্মী সাজু হৈ উঠিব আৰু এই আৰক্ষী কৰ্মীসকল নতুন যুগৰ অপৰাধ নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থ হ'ব। অনুষ্ঠানত বিদেশ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু আন ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ডেৰগাঁৱৰ অনুষ্ঠানৰ পাছতে গৃহমন্ত্ৰীগৰাকী আইজললৈ যায়। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাওলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'য়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি নিশাটো আইজলৰ ৰাজভৱনত কটায়। শ্ৰী শ্বাহে আজি কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটত উত্তৰ-পূৰ্বাঞ্চলত নতুন ফৌজদাৰী আইন তিনিখনৰ ৰূপায়ণ সন্দৰ্ভত অঞ্চলটোৰ আঠোখন ৰাজ্যৰ মুখমন্ত্ৰীৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

০০০০০

তিনিচুকীয়া জিলাৰ মাকুমৰ সমীপৰ গংগাবাৰীত থকা কেশৰ বাহেটি সূৰ্যোদয় শিশুগৃহত কালি স্বচ্ছতা পখেকৰ সামৰণি কাৰ্যসূচী অনুষ্ঠিত হয়। স্বচ্ছতা পখেকত শিশুসকলক ব্যক্তিগত পৰিষ্কাৰ-পৰিচ্ছন্নতা, গৃহ পৰিস্কাৰকৰণৰ বিষয়ে সজাগ কৰাৰ লক্ষ্যৰে ভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। যোৱা ১ মাৰ্চৰ পৰা আয়োজিত এই কাৰ্যসূচীত বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি শিশুগৃহৰ শিশুসকলক দিহা-পৰামৰ্শ আগবঢ়ায়।

০০০০০

তিনিচুকীয়াৰ বিশেষ পকছ' আদালতৰ ন্যায়াধীশ চিত্ৰাৰাণী শইকীয়াৰ বিচাৰপীঠে সিং উপাধীৰ এজন লোকক নাবালিকাক ধৰ্ষণ কৰাৰ গোচৰত ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ১০ হাজাৰ টকাৰ জৰিমনা বিহে। উল্লেখযোগ্য যে ২০২৩ চনত তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ এলেকাত সংঘটিত এই ঘটনা সন্দৰ্ভত ভুক্তভোগীৰ পৰিয়ালে দাখিল কৰা এজাহাৰ ভিত্তিত গোচৰ পঞ্জীয়ন কৰা হৈছিল। তদন্তকাৰী বিষয়া অপৰ্ণা গগৈয়ে উপ-পৰিদৰ্শক নীহাৰিকা সোণোৱালৰ সহযোগত যথা সময়ত তদন্ত সামৰি তিনিচুকীয়াৰ বিশেষ পকছ' আদালতত অভিযোগনামা দাখিল কৰিছিল।

০০০০০

অসম চৰকাৰে নতুনকৈ গঠন কৰা প্ৰজিকিউচন সঞ্চালকালয়ৰ প্ৰথমগৰাকী সঞ্চালক হিচাপে অধিবক্তা মাখন ফুকনক নিযুক্তি দিয়া হৈছে। গৃহ আৰু ৰাজনৈতিক বিভাগে কালি এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰে। একেদৰে সঞ্চালকালয়ৰ উপ-সঞ্চালক হিচাপে অধিবক্তা ধনেশ দাস, শান্তনু ভট্টাচাৰ্য আৰু মানস হালৈক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে, প্ৰথমগৰাকী সঞ্চালক হিচাপে নিযুক্তি লাভ কৰা মাসন ফুকনে ২০০৪ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত ওকালতি আৰম্ভ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত ফুকনে কেন্দ্ৰীয় চৰকাৰৰ অধিবক্তা আৰু অতিৰিক্ত লোক অধিবক্তা হিচাপে দায়িত্ব পালন কৰি ২০২১ চনৰ পৰা অসম চৰকাৰৰ লোক অধিবক্তা হিচাপে নিয়োজিত হৈ আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই সন্দৰ্ভত কয়, যে নিৰপেক্ষ আৰু দক্ষ ন্যায় প্ৰদান ব্যৱস্থা গঢ়ি তোলাৰ বাবে সঞ্চালকালয় গঠন কৰা অসম দেশৰ অন্যতম ৰাজ্য হিচাপে পৰিগণিত হৈছে।

০০০০০

শ্ৰীভূমি আৰক্ষীয়ে কালি অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰে। জিলা আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলোৱা অভিযানত জব্দ হোৱা টেবলেট সমূহৰ মূল্য ৪০ কোটি টকাৰো অধিক বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে দুজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। মিজোৰামৰ চাম্পাই জিলাৰ পৰা এই নিচাযুক্ত টেবলেটখিনি শ্ৰীভূমিৰ পাথাৰকান্দিলৈ অনা হৈছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত